**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ আটাইকেইখন জিলাৰ আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হৈ মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমশীলতা অভিযান সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই এই অভিযানৰ কাম-কাজ সম্পৰ্কত আয়ুক্তসকলৰ পৰা বুজ লোৱাৰ লগতে হিতাধিকাৰীসকলক ক্ষিপ্ৰতাৰে আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। এই অভিযানৰ জৰিয়তে মহিলা উদ্যমীসকলে যাতে ১০ হাজাৰ টকাকৈ লাভ কৰিব পাৰে সেই কথা সুনিশ্চিত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছে। উল্লেখযোগ্য যে, মহিলা উদ্যমশীলতা অভিযানৰ জৰিয়তে ৰাজ্য চৰকাৰে মহিলা আত্মসহায়ক গোটসমূহক গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগী হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। অহা মাহৰ ভিতৰত আঁচনিখনৰ সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তেওঁ বান ক্ষতিগ্ৰস্ত লোকসকলক শীঘ্ৰে সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। এই বৈঠকত শিক্ষামন্ত্ৰী ড০ ৰণোজ পেগু, মুখ্য সচিব ড০ ৰবি কোটাৰ উপৰি ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

০০০০০০০০

অসম ৰাজ্যিক মানৱ অধিকাৰ আয়োগে পাণবজাৰ থানাৰ নিলম্বিত ভাৰপ্ৰাপ্ত বিষয়া ভাৰ্গৱ বৰবৰাই জ্ঞান দ্বীপ হাজৰিকাৰ নামৰ এজন  যুৱকক প্ৰহাৰ কৰা ঘটনাৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। এই ঘটনা সন্দৰ্ভত ৰুজু হোৱা ছটা গোচৰৰ শুনানি একেলগে গ্ৰহণ কৰি আয়োগে কামৰূপ মহানগৰ জিলা দণ্ডাধীশক সমগ্ৰ ঘটনাৰ তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। আয়োগে লগতে এই গোচৰ সংক্ৰান্তত গুৱাহাটীৰ আৰক্ষী আয়ুক্ত আৰু পাণবজাৰৰ উপ-আৰক্ষী আয়ুক্তলৈ জাননী জাৰি কৰে। উল্লেখযোগ্য যে আৰক্ষীৰ সংকেট অমান্য কৰাৰ অভিযোগত আৰক্ষী বিষয়াগৰাকীয়ে যুৱকজনক ৰাজপথত প্ৰহাৰ কৰিছিল। ইয়াৰ পাছতে আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে বিষয়াগৰাকীক নিলম্বনৰ নিৰ্দেশ দিছিল।

০০০০০০০০

কেন্দ্ৰীয় কৃষি পৰিদৰ্শকৰ এটা দলে আজি ঢেকীয়াজুলিৰ ভূতাপাৰা গাঁৱৰ ধান খেতিৰ নমুনা পৰিদৰ্শন কৰা লগতে খাদ্য সুৰক্ষা আয়োগৰ অধীনৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰে। দলটোৱে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, ন্যূনতম সমৰ্থন মূল্যত ধান ক্ৰয় আৰু এখন জিলা এবিধ শস্য আঁচনিৰ বিষয়েও আলোচনা কৰে। তেওঁলোকে কৃষকসকলৰ সমস্যা সম্পৰ্কে তেওঁলোকৰ সৈতে মত বিনিময় কৰে।  তদুপৰি তেজপুৰৰ মাজগাঁৱৰ কৃষি প্ৰশিক্ষণ কেন্দ্ৰত আজি দলটোৰ  নেতৃত্বত ১৫ গৰাকী কৃষকক মচুৰ মাহৰ বীজ বিতৰণ কৰা হয়। দলটোৰ নেতৃত্বত মৰাপাট উন্নয়ন সঞ্চালকালয়ৰ সঞ্চালক জিণ্টু দাসে শোণিতপুৰ জিলাৰ কৃষি ক্ষেত্ৰ পৰিদৰ্শন কৰাৰ উপৰি

বীজসমূহ বিতৰণ কৰে। তেওঁ কৃষকসকলক মচুৰ মাহৰ লগতে মাহ জাতীয় শস্য খেতিত গুৰুত্ব আৰোপ কৰাৰ পৰামৰ্শ দিয়ে।

০০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ সোণাৰি-কামাখ্যা গাঁৱৰ দাঁতিকাষৰীয়া অঞ্চলত বিচৰণ কৰি ফুৰা চাৰিটা বাঘৰ এটা বাঘ আজি পুৱতি নিশা কাজিৰঙা বন বিভাগে পিঞ্জৰাবদ্ধ কৰে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে বিগত প্ৰায় ছমাহ ধৰি অঞ্চলটোত বাঘৰ মুক্ত বিচৰণত অঞ্চলবাসীৰ মাজত আতংকৰ সৃষ্টি হৈছিল। আজি কৰায়ত্ত কৰা বাঘটোৰে চকু আৰু ভৰিত আঘাত পোৱা বুলি অঞ্চলবাসীয়ে প্ৰত্যক্ষ কৰিছিল। নিশাৰ ভাগত কলং নৈৰ পাৰত পশু চিকিৎসক আৰু বন বিভাগৰ দলে বাঘটোক অচেতন কৰি পিঞ্জৰাবদ্ধ কৰে। পাছত বাঘটোক চিকিৎসাৰ বাবে কাজিৰঙা বন্যপ্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্দ্ৰলৈ নিয়া হয়।

০০০০০০০০

গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যাপিকা তথা বিশিষ্ট শিল্পী প্ৰয়াত ৰুণুমী ঠাকুৰ সোঁৱৰণী বক্তৃতা অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সাংবাদিক মুনীন বায়নে **সাহিত্য সংস্কৃতিৰ শেহতীয়া প্ৰেক্ষাপট ঃ আনন্দ বিষাদ** বিষয়ত বক্তৃতা প্ৰদান কৰে। বক্তৃতা অনুষ্ঠানত বিশ্বায়ন আৰু তথ্য প্ৰযুক্তিয়ে সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰলৈ কঢ়িয়াই অনা ইতিবাচক আৰু নেতিবাচক দিশসমূহত আলোকপাত কৰে। আজিৰ এই অনুষ্ঠানৰ লগত সংগতি ৰাখি বন্তি প্ৰজ্বলন, প্ৰয়াত ৰুণুমী ঠাকুৰৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি তৰ্পণ, হাতে লিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা উন্মোচন আদি কাৰ্যসূচীয়ো অনুষ্ঠিত হয়।

০০০০০০০০

শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ উদ্যোগত আজি বিশ্ব দৰ্শন দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নীহাৰ ৰঞ্জন কলিতা আৰু উপাধ্যক্ষ ড০ যোগেশ ডেকাই দৰ্শনৰ তাৎপৰ্য সম্পৰ্কে ব্যাখ্যা কৰে। এই অনুষ্ঠানত মহাবিদ্যালয়খনৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অহা ২৭ ডিচেম্বৰৰ পৰা ১২ দিনীয়া কাৰ্যসূচীৰে গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। নুনমাটিৰ পৰা আমবাৰীলৈকে উৰণ সেতুৰ নিৰ্মাণৰ কাম চলি থকাৰ বাবে চানমাৰিত হৈ থকা যান-জঁটৰ পৰিপ্ৰেক্ষিতত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰৰ পৰিৱৰ্তে বিকল্প স্থান হিচাপে খানাপাৰাত এইবাৰৰ অসম গ্ৰন্থমেলা অনুষ্ঠিত হ'ব বুলি প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এটা বিবৃতিযোগে জানিবলৈ দিছে। ২৬ জানুৱাৰীৰ গণ্যৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে নিৰাপত্তাজনিত কাৰণত খেলপথাৰখন ব্যৱহাৰৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছিল যদিও শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ তৎপৰতাত খেলপথাৰখনত গ্ৰন্থমেলা অনুষ্ঠিত কৰিবলৈ অনুমতি লাভ কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গৃহ বিভাগে পূৰ্বৰ নিৰ্দিষ্ট সময়তকৈ দুটা দিন আগুৱাই গ্ৰন্থমেলাখন অনুষ্ঠিত কৰিবলৈ অনুমতি প্ৰদান কৰে। প্ৰকাশন প্ৰতিষ্ঠান তথা অন্যান্য বিপণীৰ বাবে ইতিমধ্যে আবেদন পত্ৰ মুকলি কৰা হৈছে। গুৱাহাটীৰ বামুণীমৈদামত থকা অসম প্ৰকাশন পৰিষদৰ কাৰ্যালয় তথা পাণবজাৰৰ যশৱন্ত পথৰ সৰস্বতী মাৰ্কেটত থকা সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ কাৰ্যালয় আৰু www.publicationboardassam.com ৱেবছাইটৰ পৰা আবেদন সংগ্ৰহ কৰিব পাৰিব।

সংগৃহীত আবেদন পত্ৰসমূহ পূৰণ কৰি অহা ৩ ডিচেম্বৰৰ ভিতৰত জমা দিব লাগিব। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই জনোৱা অনুসৰি অসমৰ লগতে দেশ-বিদেশৰ বহুকেইটা আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে ইতিমধ্যে অসম গ্ৰন্থমেলা, গুৱাহাটীত অংশগ্ৰহণৰ বাবে যোগাযোগ কৰিছে।

oooooooo

**সমাপ্ত**